# খ্ৰীষ্টিয়ানসকলে ডাঙৰ দলত আৰু ঘৰবোৰত গোট খায়

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে H6b অধ্যয়ন পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু যীচু, আপোনাৰ নিজৰ উত্থানত আমাক জয়যুক্ত কৰিলে। জীৱিত দল হিচাপে আমাক অনেক মণ্ডলীবিলাক (জীয়ৰী) আৰু অধিক গোটবিলাক পুনৰ জন্ম দিবলৈ সহায় কৰক।"

**১। সৰু ঘৰ মণ্ডলীবিলাকক সহায় কৰিবলৈ আপোনাৰ মণ্ডলীক প্ৰস্তুত কৰক।**

পাঁচনিৰ কৰ্ম্ম ২ঃ৪৬-৪৭; ১৮ঃ৭ পদত চাওক, প্ৰথম খ্ৰীষ্টিয়ান সকলে গোট খোৱা ঠাইবোৰ। (উত্তৰ বেকাঁ আখৰত দিয়া আছে।)

- চাওঁক, পাঁচনিৰ কৰ্ম্ম ২ঃ৪৬ পদত - বিশ্বাসীসকলে প্ৰভু ভোজ ক'ত খাইছিল? *(তেওঁলোকৰ ঘৰত।)*
- চাওঁক, পাঁচনিৰ কৰ্ম্ম ৫ঃ৪২; ২০ঃ২০ পদত - পাঁচনিবিলাকে যীচুৰ বিষয়ে শিক্ষা ক'ত দিছিল? *(ধৰ্ম্মধামত আৰু ঘৰত।)*
- চাওঁক, পাঁচনিৰ কৰ্ম্ম ১৬ঃ৪০ পদত - পাঁচনিবিলাকে বিশ্বাসীসকলক ফিলিপীয়াত বিচাৰি কলৈ গৈছিল? *(লুদীয়াৰ ঘৰত।)*

চাওঁক, পাঁচনিৰ কৰ্ম্ম ১৬ঃ৪০; ৰোমীয় ১৬ঃ৫; ১কৰিন্থীয়া ১৬ঃ১৯; কলচীয়া ৪ঃ১৫-১৬; ফিলীমন ১ঃ১-১৩; ক'ত অনেক মণ্ডলীবিলাক গোট খাইছিল, য'লৈ পাঁচনি পৌলে তেওঁৰ পত্ৰ লিখিছিল। *(লোকবিলাকৰ ঘৰত)*

কিছুমান মণ্ডলী ডাঙৰ হাতীৰ দৰে সাহিয়াল আৰু অনেক কামবিলাক কৰিব পাৰে। আন মণ্ডলীবিলাক শহা পহুৰ দৰে সাহসিয়াল নহয়, কিন্তু তেওঁলোকে সহজে পুনৰ উদ্ভৱ বেগাই কৰিব পাৰে।



**হাতীবোৰ**

- পৰিপক্কতা ১২ বছৰত আহে
- এবাৰত একোটাকৈ পোৱালী
- বছৰত বাৰ উৰ্ব্বৰা হৈ থাকে
- ২২ মাহ গৰ্ভ ধাৰণ কৰে
- ২ পৰা ৩ বছৰত পৰিয়াল বাঢ়ে

**শহা পহুবোৰ**

- ৪ মাহতে পৰিপক্ক হয়
- এবাৰত শতকৰা ৭ টাকৈ শিশু গৰ্ভধাৰণ কৰে।
- প্ৰায় সদায়েই উৰ্ব্বৰা
- ১ মাহ গৰ্ভধাৰণ কৰে
- ৩ বছৰত ৪৭৬ কোটি পৰিয়াল বাঢ়িব পাৰে।



**২। নতুন ঘৰুৱা মণ্ডলীবোৰ কেনেকৈ গঠন কৰিব, আপোনাৰ সহ-কৰ্ম্মী সকলৰ লগত আলোচনা কৰক।**

ঘৰুৱা মণ্ডলীবোৰত কিছুমান সুবিধাৰ বিষয়ে আপোনাৰ সহ-কৰ্ম্মীসকলৰ লগত আলোচনা কৰক ঃ

- ডাঙৰ গোটতকৈ তেওঁলোকে অধিক সহজে পুনৰ উদ্ভৱ কৰিব পাৰে।
- নতুন পালকসকলে তেওঁবিলাকক চলাব পাৰে।
- তেওঁলোকে আটাইকে আত্মিক বৰদানেৰে পৰস্পৰে উৎসাহিত কৰাত অনুমতি দিয়ে।
- নতুন নিয়মৰ 'ইজনে সিজনৰ' আটাইবোৰ আজ্ঞা তেওঁলোকে ব্যৱহাৰ কৰিব পাৰে।
- চেপেলৰ কাৰণে তেওঁলোকক টকা-পইচাৰ প্ৰয়োজন নাই।
- তেওঁলোক বিৰোধী শাসনকৰ্ত্তাসকলৰ প্ৰায় দৃষ্টিৰ অগোচৰ।

ঘৰুৱা মণ্ডলীবোৰক আপুনি আৰু তেওঁলোকে কেনেকৈ নতুন পালক সকলক পৰিচালনা কৰিব আৰু শিক্ষা দিব, আপোনাৰ সহকৰ্ম্মী সকলৰ লগত আলোচনা কৰক।

পৌল-তীমথিয় প্ৰশিক্ষণ অধ্যয়ন একেলগে পঢ়ক, “নতুন পালকক শিক্ষা দিয়া নিৰ্দ্দেশাৱলী।

কোন নতুন পালক হ’ব পাৰে আপোনাৰ সহ-কৰ্ম্মীসকলৰ লগত আলোচনা কৰক। তেওঁলোকে নতুন ঘৰুৱা মণ্ডলীবিলাক চলাই থাকোতে তেওঁলোকক প্ৰদক্ষিণ কৰক আৰু প্ৰশিক্ষণ দিয়াত সন্মত হওক। ভাল পালকবোৰ হ’ব পাৰে যিসকলে ঃ

- তেওঁলোকৰ পৰিয়ালক উপাসনাত চলায়।
- একলগ হ’বলৈ আন বিলাকক পাবলৈ সক্ষম হয়।
- সমাজত তেওঁবিলাকৰ সুনাম থাকে।

নতুন পালকসকলে প্ৰশিক্ষণ দিয়া কাৰ্য্য প্ৰণালী প্ৰস্তুত কৰক যাতে যেন তলত উল্লেখ কৰা বিষয়বোৰত নতুন ঘৰুৱা গোটবোৰক সহায় কৰিব পাৰে ঃ

- ঈশ্বৰৰ উপাসনা।
- যীচুৰ নামত প্ৰাৰ্থনা কৰা।
- নতুন বিশ্বাসীসকলক বাপ্তাইজিত কৰা।
- একেলগে পিঠা ভঙা।
- দৰ্কাৰী প্ৰয়োজনীয়তাত লগ পাবলৈ দিয়া।
- একেলগে শাস্ত্ৰপদবোৰ শিকা।
- পৰস্পৰে উদ্‌গোৰা।
- আনৰ পৰিচৰ্য্যা কৰা।
- শুভবাৰ্ত্তা ভগাই লোৱা।
- আন ঘৰুৱা গোটৰ লগত সহযোগ কৰা।

সম্ভৱ হ’লে, ডাঙৰ সভাবোৰলৈ ঘৰুৱা মণ্ডলীবোৰে ক’ত আৰু কেনেকৈ কিমান দিন বিৰতিৰ পিছে পিছে একেলগে গোট খাব - তাৰে আঁচনি কৰক, যাতে যেন...

- উৎসাহী বাইবেল শিক্ষক আৰু বৰপ্ৰাপ্ত প্ৰচাৰকৰ বাক্য শুনিবলৈ পায়।
- তেওঁবিলাকৰ সৰু সৰু গোটবোৰত ঈশ্বৰে কি কৰিছে সেই ৰিপোৰ্টবোৰ ভগাই লয়।
- নিপুণ গায়কৰ গীত উপভোগ কৰে আৰু নতুন গীতবোৰ শিকে।
- আন বিশ্বাসীসকলক লগ পায় আৰু বন্ধুত্ব কৰে।
- সুবিধাবোৰৰ বিষয়ে শিকে আৰু নতুন পৰিচৰ্য্যাৰ আঁচনি কৰে।
- ঈশ্বৰৰ প্ৰশংসা আৰু প্ৰাৰ্থনা কৰে।

**সতৰ্ক ঃ** যদিহে ডাঙৰ গোটবোৰ সঘনাই গোট খায়, তেনেহ’লে কোনো কোনো বিশ্বাসী লোক ঘৰুৱা সমাজলৈ আৰু নাহিব।

৩। **হ’বলগীয়া উপাসনাৰ কাৰণে আপোনাৰ সহকৰ্ম্মীৰ লগত আঁচনি কৰক।**

বৰ্ত্তমানৰ প্ৰয়োজনত খাপ খোৱা কামবোৰ বাছি লওক।

বয়সীয়া সকলক ল’ৰা ছোৱালীয়ে প্ৰস্তুত কৰা একাংকিকা দেখুৱাওক আৰু প্ৰশ্নবোৰ কৰক।

১ম ভাগ পোৱা বিষয়বোৰৰ ব্যাখ্যা আৰু প্ৰশ্নবোৰ কৰক।

**পঢ়ক আৰু আলোচনা কৰক** - ১কৰিন্থীয়া ১৪ঃ২৬-৩২, বিশ্বাসী সকলক কেনে প্ৰকাৰৰ কামবোৰ একেলগে কৰিব পাৰে।

**অভ্যাস কৰক** - কিছুমান কাম যিবিলাক বিশ্বাসীসকলে তেওঁবিলাকৰ ঘৰুৱা গোটবিলাকত আৰু পৰিয়ালত একেলগে কৰিব পাৰে।

প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ ১কৰিন্থীয়া ১১ঃ১৮-৩৪ পদ পঢ়ক।

মথি ১৮ঃ২০ পদ একেলগে মুখস্থ কৰক।

বিশ্বাসীসকলক তিনি বা চাৰিজনীয়া গোট কৰি ইজনে সিজনৰ কথা শুনিবলৈ আৰু পৰস্পৰৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ দিয়ক।



যদিহে আপুনি নতুন পালক সকলক প্ৰশিক্ষণ দিছে আৰু পৌল-তীমথিয় অধ্যয়নৰ নতুন পালক সকলৰ প্ৰশিক্ষণৰ নিৰ্দ্দেশাৱলী পঢ়া নাই, তেনেহ'লে সেইবোৰ এতিয়াই পঢ়ক।

Copyright 2004 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net